# 2013

## ASSAMESE

( Major )

Paper : 3.3

Time : 3 hours

*The figures in the margin indicate full marks for the questions*

*Candidates **eligible** for Internal Assessment shall answer from PART—I only ( Marks : 90 )*

---

*Candidates **not eligible** for Internal Assessment shall answer both from PART—I and PART—II ( Marks : 100 )*

PART—I

( *Marks* : 90 )

প্ৰথম খণ্ড

( মূল্যাংক : ৪০ )

১। (ক) ব্ৰজবুলি ভাষাৰ উৎপত্তি সম্পৰ্কত থকা মতবাদসমূহৰ বিষয়ে এটি বিশ্লেষণ আগবঢ়োৱা। ১৫

*অথবা*

(খ) ব্ৰজবুলি কাব্যত প্ৰতিফলিত নায়িকাভেদ সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

২। (ক) তোমাৰ পাঠ্যৰ অন্তৰ্ভুক্ত বিদ্যাপতি আৰু শঙ্কৰদেৱৰ বিৰহ-বিষয়ক গীতকেইটিৰ মাজত এটি তুলনা আগবঢ়োৱা। ১৫

*অথবা*

(খ) অসমৰ ব্ৰজবুলি সাহিত্যৰ ৰূপভেদ নিৰ্ণয় কৰি এটি আলোচনা প্ৰস্তুত কৰা।

৩। প্ৰসঙ্গ-সঙ্গতি দৰ্শাই ব্যাখ্যা কৰা (যি কোনো দুফাঁকি) : ৫×২=১০

(ক) ''ভালহি সিন্দুৰ ভানু কিৰণ জনু
তঁহি চাৰু চন্দন বিন্দু।
মুখ হেৰি লাজসে সায়ৰে লুকায়ল
দিনে দিনে খীন ভৈল ইন্দু॥''

(খ) ''এ সখি সো সব প্ৰেম-কহানী।
কানুঠামে কহৰি বিছুৰহ জনি॥
না খোঁজলুঁ দুতি না খোঁজলুঁ আন।
দুহুঁক মিলনে মধ্যতে পাঁচ-বাণ॥''

(গ) ''পুত পুত বুলি আঞ্চোৰে মোচল শ্যাম শৰীৰক ধূলি।
মেৰা বাপ বুলি খীৰ পিয়াৰত বাহু মেলি কোলে তুলি॥''

(ঘ) ''আঁচৰে মুখ-শশী গোই ঘন ৰোয়সি
কহইতে কহন না ফুৰ।
সো গিৰিধৰবৰ অনত চলল জব
তছু মিলন বহু দূৰ॥''

## দ্বিতীয় খণ্ড

( *মূল্যাংক : ৫০* )

৪। (ক) সাহিত্য বিচাৰৰ এটা পদ্ধতি হিচাপে তুলনামূলক সাহিত্যৰ প্ৰয়োজনীয়তা সম্পৰ্কে তোমাৰ মতামত ব্যক্ত কৰা। ১৪

*অথবা*

(খ) তুলনামূলক সাহিত্যই কিদৰে ভাৰতীয় ঐক্য ৰচনাত সহায় কৰে, আলোচনা কৰা।

৫। (ক) 'নষ্টনীড়' চুটিগল্পটিৰ আধাৰত ৰবীন্দ্ৰনাথ ঠাকুৰৰ চুটিগল্পৰ বৈশিষ্ট্য নিৰ্ণয় কৰা। ১৪

*অথবা*

(খ) মুন্সী প্ৰেমচান্দৰ 'কফন' গল্পটোত মানৱীয় আবেদন কেনেদৰে প্ৰকাশ পাইছে, উপযুক্ত উদাহৰণেৰে বিশ্লেষণ কৰি দেখুওৱা।

৬। (ক) ফণীশ্বৰনাথ ৰেণুৰ 'ময়লা আঁচল' উপন্যাসখনিৰ পটভূমি আৰু বিষয়বস্তু সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা। ৭+৭=১৪

*অথবা*

(খ) মাণিক বন্দ্যোপাধ্যায়ৰ 'পদ্মানদীৰ মাঝি' উপন্যাসখনিৰ ভাষা সম্পৰ্কে এটি নাতিদীৰ্ঘ প্ৰবন্ধ যুগুত কৰা। ১৪

৭। চমু টোকা লিখা (যি কোনো দুটা) : ৪×২=৮

(ক) কালিচৰণ

(খ) কপিলা

(গ) বিশ্বসাহিত্য

(ঘ) নাগাৰ্জুন

## PART—II

( *Marks* : 10 )

**( আভ্যন্তৰীণ মূল্যায়নৰ পৰিৱৰ্তে )**

৮। (ক) উপন্যাসৰ উপাদানসমূহৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা। ১০

*অথবা*

(খ) চুটিগল্পৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰি ইয়াৰ এটি সংজ্ঞা নিৰূপণ কৰা।

★★★